Tel :0361-2450409 (O
0361-2529542 (O

# ASSAM PRADESH CONGRESS COMMITTEE

**RAJIV BHAWAN**

**INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005**

২৩-১১-২০১৫

# প্ৰেছ বিবৃতি

## ক্ষমতাৰ বাবে সাপ-নেউল একাকাৰ হোৱা সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত বিজেপিয়ে অসমৰ একো উন্নয়ন সাধিব নোৱাৰে

**গুৱাহাটী ২৩ নৱেম্বৰ-** শ্ৰীঅঞ্জন দত্তক কংগ্ৰেছ হাইকামাণ্ডে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি নিয়োগ কৰা সময়ত বিজেপিৰ ৰাজ্যিক সভাপতি শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্যই অত্যুৎসাহী হৈ মন্তব্য কৰিছিল যে - কংগ্ৰেছত বিসম্বাদৰ দ্বিতীয় ইনিংছ আৰম্ভ হৈছে। কিন্তু এতিয়া সেই সিদ্ধাৰ্থ ভট্টাচাৰ্য বিজেপিৰ ৰাজ্যিক সভাপতিৰ পদৰ পৰা আতৰিব লগা হ'ল। শ্ৰীসৰ্বানন্দ সোণোৱালৰ বিজেপিৰ ৰাজ্যিক সভাপতি হিচাপে নিযুক্তিত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ ক'বলগা একো নাই যদিও বিজেপিয়ে যি ধৰণে যোৱা দুদিনত অত্যুৎসাহী হৈ পৰিছে সেই সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে -

শ্ৰীসৰ্বানন্দ সোণোৱালে উচ্চতম ন্যায়ালয়ত এক গোচৰ তৰি আই এম ডি টি আইন বাতিল কৰাত এসময়ত সদৌ অসম ছাত্ৰ সন্থাকে ধৰি অসমৰ একাংশ দল আৰু সংগঠনে শ্ৰীসোণোৱালক জাতীয় মহানায়ক উপাধিৰে বিভূষিত কৰিছিল যদিও পৰৱৰ্তী কালত একমাত্ৰ নিজৰ ৰাজনৈতিক মুনাফাৰ বাবেই জাতীয়তাবাদৰ ছোলা দলিয়াই শ্ৰীসোণোৱালে বিজেপি দলত যোগদান কৰি সেইসকলৰ আশাত চেঁচাপানী ঢালিছিল। ২০১৪ চনৰ লোকসভা নিৰ্বাচনত শ্ৰীনৰেন্দ্ৰ মোডীয়ে ২০১৪ চনৰ ১৬ মে'ৰ পাছত অসমত থকা সকলো বাংলাদেশীয়ে টালি-টোপোলা লৈ অসম এৰিব লাগিব বুলি যি হুংকাৰ দিছিল, ভাৰত-বাংলাদেশ ভূমি হস্তান্তৰ চুক্তি আৰু কোনো কাৰণত অসমৰ এক ইঞ্চি মাটিও বাংলাদেশক এৰি দিয়া নহ'ব বুলি বিজেপিৰ ৰাষ্ট্ৰীয় নেতাসকলৰ লগতে শ্ৰীসোণোৱালেও যি দম্ভ মাৰিছিল, পৰৱৰ্তী কালত এই সমুদায় বিষয়ত বিজেপি দল আৰু শ্ৰীসোণোৱালে ওলোটা খৰ মৰাই নহয়, শেহতীয়াভাৱে বিজেপি চৰকাৰে ১৩ বছৰৰ তলৰ আৰু ৬০ বছৰৰ ওপৰৰ বাংলাদেশী লোকৰ অসমত প্ৰৱেশৰ বাবে ভিছা ব্যৱস্থা শিথিল কৰিবলৈ লোৱা সিদ্ধান্তই জাতীয় মহানায়কৰ চৰম সুবিধাবাদী চৰিত্ৰ প্ৰকট কৰি তুলিছে। এনে সুবিধাবাদী নেতাৰ হাতত যে অসমৰ ৰাইজৰ ভৱিষ্যৎ অন্ধকাৰ নিশ্চয় ৰাইজে অনুমান কৰিব পাৰিছে।

শ্ৰীসোণোৱালে ছাত্ৰ সন্থাৰ জীৱনৰ পৰা সৌ-সিদিনালৈকে যিজন হিমন্ত বিশ্ব শৰ্মাক দুৰ্নীতিগ্ৰস্ত, ভ্ৰষ্টাচাৰী, দেশদ্ৰোহী, হত্যাকাৰী আৰু উগ্ৰপন্থীৰ পৃষ্ঠপোষক বুলি সমগ্ৰ অসম তোলপাৰ লগাই আছিল আজি সেইজন হিমন্ত বিশ্ব শৰ্মাক লগত লৈ শ্ৰীসোণোৱালে অসমৰ ৰাজক্ষমতা দখল কৰাৰ সপোন দেখিছে যদিও শ্ৰীসোণোৱালৰ সেই সপোন, সপোন হৈয়ে থাকিব। একমাত্ৰ ক্ষমতা দখলৰ বাবেই অসম বিজেপিত এতিয়া সাপ-নেউল একাকাৰ হৈছে যদিও অসমৰ ৰাইজে কিন্তু এওলোকৰ স্বৰূপ ভালকৈ চিনিছে।

দ্বিতীয়বাৰৰ বাবে বিজেপিৰ ৰাজ্যিক সভাপতিৰ দায়িত্ব লৈ শ্ৰীসোণোৱালে সংবাদ মাধ্যমৰ আগত ঘোষণা কৰিছে যে তেওঁ অসমত 'আমূল পৰিৱৰ্তনেৰে সমৃদ্ধিশালী অসম গঢ়িব'।

*ক্ৰমশ...*

Tel :0361-2450409 (O
0361-2529542 (O

# ASSAM PRADESH CONGRESS COMMITTEE

RAJIV BHAWAN
INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005



যি বিজেপি দলে দিল্লীত চৰকাৰ গঠন কৰাৰ দিনৰে পৰা অসমৰ প্ৰাপ্য পুঁজি আৰু বাজেট কৰ্তন কৰি, বানপানী শিতানত পাবলগীয়া পুঁজি মোকলাই নিদি, অসমৰ বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তন কৰি, কেন্দ্ৰীয় পুঁজিৰ ৯০:১০ অনুপাতৰ ব্যৱস্থা বন্ধ কৰি, পঞ্চায়ত, গ্ৰামোন্নয়ন, শিক্ষা, স্বাস্থ্য, শিশু আৰু মাতৃ-কল্যাণ আদি বিভিন্ন শিতানৰ পুঁজি ব্যাপকভাৱে কৰ্তন কৰি অসমৰ প্ৰতি সকলো ক্ষেত্ৰতে মাহী আইৰ দৃষ্টি লৈছে, সেই বিজেপি দলৰ নেতৃত্বত তেওঁ সমৃদ্ধিশালী অসম গঢ়া দূৰৰ কথা অগপ আমোলত সোণৰ অসমৰ প্ৰতিশ্ৰুতি দি মাটিৰ অসম চাৰখাৰ কৰাৰ দৰে বিজেপিৰ আমোলতো তেওঁলোকে অসম ছিন্ন-ভিন্ন কৰি তুলিব। অসমৰ প্ৰতি বিজেপিৰ লজ্জাজনক দৃষ্টিভংগীৰ শেহতীয়া উদাহৰণ হৈছে যোৱা ২১ নৱেম্বৰত শিলচৰ-লামডিং-গুৱাহাটী ব্ৰডগজ (যাত্ৰীবাহী) ৰেলসেৱা উন্মোচনী অনুষ্ঠানত মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈদেৱক যোগদান কৰিব পৰাকৈ নিমন্ত্ৰণ নিদিয়া। তদানীন্তন কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীসন্তোষ মোহন দেৱ, অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ আৰু তেতিয়াৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ নেৰানেপেৰা প্ৰচেষ্টাতহে এই দ্ৰুতবেগী ব্ৰডগজ ৰেলসেৱা উন্মোচন কৰিবলৈ সক্ষম হৈছে। কিন্তু, বিজেপি দলে অসমৰ নেতাৰ এনে ত্যাগ আৰু অৱদানক স্বীকৃতি দিবলৈ অস্বীকাৰ কৰা কাৰ্যই তেওঁলোকৰ অসমৰ প্ৰতি অৱহেলাৰ অন্য এক দৃষ্টান্ত। যি বিজেপি দলে দিল্লী বিধানসভা নিৰ্বাচনৰ ইস্তাহাৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লোকক প্ৰৱজনকাৰী বুলি আখ্যা দিছিল, আনকি শ্ৰীসোণোৱালক ৰাজ্যিক বিজেপিৰ সভাপতি আৰু নিৰ্বাচন পৰিচালনা সমিতিত শ্ৰীমতী বিজয়া চক্ৰৱৰ্তী, শ্ৰীহিমন্ত বিশ্ব শৰ্মা, সিদ্ধাৰ্থ ভট্টাচাৰ্য আদি বিজেপিৰ নেতাসকলক কেন্দ্ৰীয় নেতৃত্বই দিয়া নিযুক্তি পত্ৰত নামৰ ব্যাপক ভুলে প্ৰমাণ কৰে বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই অসমৰ নেতাসকলক কিমান গুৰুত্ব দিয়ে ? এনে বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ যোগেদি শ্ৰীসোণোৱালে অসমৰ কি আমূল পৰিৱৰ্তন আনিব সহজেই অনুমেয়। কেৱল সিমানেই নহয়, প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডীয়ে প্ৰথম মন্ত্ৰীসভা গঠন কৰোতে শ্ৰীসোণোৱালক ক্ৰীড়াৰ লগতে কৌশল-দক্ষতা বিকাশ বিভাগ (Skill Development ) ৰ ৰাজ্যিক মন্ত্ৰীৰ দায়িত্ব দিছিল যদিও মাত্ৰ ছমাহৰ পিছতে শ্ৰীসোণোৱালৰ পৰা কৌশল-দক্ষতা বিকাশ বিভাগৰ দৰে গুৰুত্বপূৰ্ণ বিভাগটো কৰ্তন কৰাৰ কথাই প্ৰমাণ কৰে শ্ৰীসোণোৱালৰ অদক্ষতা আৰু বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ অসমৰ প্ৰতি থকা ফোঁপোলা আন্তৰিকতা। বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ অসমৰ প্ৰতি থকা এনে মাহী আইৰ দৃষ্টিভংগী আৰু শ্ৰীসোণোৱালৰ সুবিধাবাদী চৰিত্ৰত তেওঁ কেনেকৈ অসমৰ আমূল পৰিৱৰ্তন কৰি সমৃদ্ধিশালী অসম গঢ়িব?

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে সেয়েহে অসমৰ ৰাইজক এনে প্ৰতাৰক আৰু সুবিধাবাদী নেতাৰ প্ৰৰোচনাত ভোল নাজাবলৈ আহ্বান জনাইছে। লগতে বিগত দিনৰ সকলো ইতিহাসৰ পৰা এই কথা অতি স্পষ্ট যে বিভিন্ন ভাষা-ভাষী, বৰ্ণ, ধৰ্ম, জনগোষ্ঠীৰ লোকেৰে ভৰপুৰ অসমখনত সকলোকে একত্ৰিত কৰি বিকাশৰ দিশত আগবঢ়াই লৈ যাব পাৰিব একমাত্ৰ ভাৰতীয় জাতীয় কংগ্ৰেছহে।

(ৰিপুন বৰা)
উপ-সভাপতি, অসম প্ৰদেশ কংগ্ৰেছ কমিটী
তত্বাৱধায়ক মিডিয়া আৰু যোগাযোগ বিভাগ